# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 09-08-2025
**Time :** 0755Hrs

## *Assamese Morning Bulletin*

০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসম আৰু ত্ৰিপুৰাৰ উন্নয়নৰ লক্ষ্যৰে বিশেষ পেকেজৰ অধীনত ৪ হেজাৰ ২৫০ কোটি টকা আৱণ্টনত অনুমোদন জনাইছে। ৰাজ্যৰ বিদ্ৰোহী সংগঠনসমূহৰ সৈতে হোৱা শান্তি চুক্তিমৰ্মে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে চাৰি হাজাৰ কোটি টকাৰ বিশেষ উন্নয়ন পেকেজত অনুমোদন জনায়। ২০২৩ চনত আলফাৰ সৈতে হোৱা ত্ৰিপাক্ষিক চুক্তি অনুসৰি ৰাজ্যৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে তিনি হাজাৰ কোটি টকাত অনুমোদন জনোৱা হৈছে। একেদৰেবিদ্ৰোহী সংগঠন ডি এন এল এ আৰু ডিমাচা পিপলছ ছুপ্ৰিম কাউন্সিলৰ সৈতে হোৱা ত্ৰিপাক্ষিক চুক্তি অনুসৰি উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্বশাসিত পৰিষদৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫০০ কোটি টকাৰ আৱণ্টনত মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কালি অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকৰ পাছত তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বৈঠকৰ সিদ্ধান্তসমূহৰ বিষয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰি এইদৰে কয়। ৰাজ্যখনৰ আদিবাসী বসতিপ্ৰধান গাওঁসমূহৰ উন্নয়নৰ বাবেও মন্ত্ৰীসভাই ৫০০ কোটি টকাৰ পেকেজ ঘোষণা কৰিছে। একেদৰে ত্ৰিপুৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশেষ পুঁজিৰ অধীনত ২৫০ কোটি টকা আৱণ্টন দিছে।

কেন্দ্ৰীয় মন্ত্ৰীসভাই প্ৰধানমন্ত্ৰী উজলা যোজনাৰ হিতাধিকাৰীসকললৈ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ১২ হাজাৰ কোটি টকা ৰাজসাহায্য প্ৰদানত অনুমোদন জনাইছে। ইয়াৰ জৰিয়তে ১০ কোটি ৩৩ লাখৰো অধিক পৰিয়াল উপকৃত হব বুলি শ্ৰী বৈষ্ণৱে প্ৰকাশ কৰে।

ৰাজহুৱা খণ্ডৰ তেল কোম্পানীলৈ মন্ত্ৰীসভাই ৩০  হাজাৰ কোটি টকাৰ ক্ষতিপূৰণত অনুমোদন দিছে। ৩ টা ৰাজহুৱা খণ্ডৰ তৈল বিপনন কোম্পানী আই অ চি এল, বি পি চি এল  আৰু এইচ পি চি এললৈ এই ধনৰাশি আৱণ্টন দিয়া হব। তদুপৰি কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত বহুমুখী শিক্ষা আৰু গৱেষণা প্ৰক্ৰিয়া উন্নত কৰাৰ বাবে ৪ হাজাৰ ২০০ কোটি টকা আৱণ্টনতো কেন্দ্ৰীয় মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০

নামনি সোৱণশিৰি জলবিদ্যুত প্ৰকল্পকে ধৰি দেশৰ মুঠ ৪৬ টা প্ৰকল্প অসুৰক্ষিত তথা বিপজ্জনক বুলি শক্তি মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী শ্ৰীপদ নায়কে প্ৰকাশ কৰিছে। লোকসভাত কালি এটা প্ৰশ্নৰ উত্তৰত শ্ৰীনায়কে কেন্দ্ৰীয় বিদ্যুত প্ৰাধিকৰণৰ উদ্ধৃতিৰে কয়, যে সাগৰ পৃষ্ঠৰ পৰা এহেজাৰ ৫০০ মিটাৰ উচ্চতাত অৱস্থান কৰা যিকোনো অববাহিকাৰ প্ৰথম জলবিদ্যুত প্ৰকল্পক কেন্দ্ৰীয় বিদ্যুত প্ৰাধীকৰণে অসুৰক্ষিত বুলি বিবেচনা কৰাৰ লগতে ইয়াত সুৰক্ষামূলকভাৱে অতিৰিক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পসমূহত আগতীয়া সকীয়নি তথা সতৰ্কতামূলক ব্যৱস্থা ৰূপায়ন কৰাটো বাধ্যতামূলক কৰা হৈছে আৰু এই সন্দৰ্ভত সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশনা প্ৰেৰণ কৰা হৈছে। উল্লেখযোগ্য যে অসুৰক্ষিত জলবিদ্যুত প্ৰকল্পৰ তালিকাত অৰুণাচল প্ৰদেশৰ ৪০৫ মেগাৱাটৰ নামনি পেনিয়ৰ আৰু ৬০০ মেগাৱাটৰ কামেং জলবিদ্যুত প্ৰকল্প আছে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰী পয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ বিভিন্ন বন শিবিৰত উদ্যানৰ সুৰক্ষাৰ দায়িত্বত নিয়োজিত আৰু পৰ্যটক কঢ়িওৱা হাতীসহ মুঠ ৭২টা বিভাগীয় পোহনীয়া হাতীৰ কালি স্বাস্থ্প পৰীক্ষা কৰোৱা হয়। কাজিৰঙা ৰাষ্ট্ৰীপায় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ পশু চিকি ৎসা বিষয়াৰ নেতৃত্বত বন্য প্ৰাণী উদ্ধাৰ আৰু পুনৰ সংস্থাপন কেন্ৰ্আৰ লগতে কঁহৰা ৰাজ্যিক পশু চিকি ৎসালয়ৰ চিকি ৎসকৰ দ্বাৰা হাতীবোৰৰ স্বাস্যআ পৰীক্ষা কৰোৱা হয়। যোৱা ৪ আগষ্টৰ পৰা আৰম্ভ কৰা এই স্বাস্থ্ল পৰীক্ষা শিৱিৰ প্ৰথম অৱস্থাত কঁহৰা, অগৰাতলী, বাগৰি আৰু বুঢ়া পাহাৰ বনাঞ্চলত কৰাৰ লগতে পৰৱৰ্তী সময়ত লাওখোৱা, বুঢ়া চাপৰি আৰু বিশ্বনাথ বনাঞ্চলৰ হাতীৰ মাজতো সম্পন্ন কৰা হয়। হাতীসমূহৰ স্বাস্য্  পৰীক্ষা কৰি চিকিংসকে হাতীৰ বাবে প্ৰয়োজনীয় পথ্যও যোগান ধৰিছে।

০০০০০০

নগাঁও জিলাৰ লাওখোৱা শিক্ষাখণ্ডৰ চৰকাৰৰ  বিনামূলীয়া শিক্ষাৰ পৰা বঞ্চিত ২৮টি শিশুৰ শিক্ষা সন্দৰ্ভত অঞ্চলটোৰ ৰাইজে শিক্ষা বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্তক কালি অভিযোগ পত্ৰ প্ৰদান কৰে। পত্ৰখনত উল্লেখ কৰা মতে লাওখোৱা শিক্ষাখণ্ডৰ পশ্চিম হাতীপাৰা মোক্তাব বিদ্যালয়ত বিগত বৰ্ষৰ বিদ্যালয় বৰ্হিভূত শিশুৰ জৰীপ কৰি ২৮টি শিশুক চিনাক্ত কৰা হৈছিল। এই জৰীপ কাৰ্যৰ পিছত বিদ্যালয়খনৰ প্ৰধান শিক্ষক আৰু ক্লাষ্টাৰৰ মণ্ডল কেন্ৰ্চ সমন্বয়কে চহী কৰা তালিকা জিলা মান ৰক্ষকৰ হাতত অৰ্পণ কৰা হৈছিল। কিন্তু মানৰক্ষকগৰাকীয়ে তথ্যখিনি শিক্ষা বিভাগৰ প্ৰৱন্ধ পৰ্টেলত পঞ্জীয়ন নকৰাৰ ফলত এই ২৮টা শিশু শিক্ষা লাভৰ পৰা বঞ্চিত হৈছে। এই ক্ষেত্ৰত শিশু কেইটিৰ শিক্ষা সুনিশ্চিত কৰাৰ দাবীৰে অতিৰিক্ত আয়ুক্তৰ হস্তক্ষেপ বিচাৰি ৰাইজে অভিযোগ পত্ৰ প্ৰদান কৰিছে।

০০০০০০

সমাপ্ত